অধ্যায় ১০ নৃগোষ্ঠীয় বর্ণনা তত্ত্ব

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ নৃগোষ্ঠীয় বর্ণনা তত্ত্ব

১০.৪ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়ন

১০.৪.১ নৃগোষ্ঠীয় বর্ণনাতত্তৰ অধ্যয়নৰ সাধাৰণ গাঁথনি

১০.৪.২ অধ্যয়নৰ এক পদ্ধতি হিচাপে নৃগোষ্ঠীয় বর্ণনা তত্ত্ব

১০.৫ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গুৰুত্ব

১০.৬ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ লক্ষ্য

১০.৭ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ সুবিধাসমূহ

১০.৮ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ সীমাবদ্ধতাসমূহ

১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.১০ অধিক জানিবলৈ

১০.১১ অগ্রগতিৰ খতিয়ান

১০.১২ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নৃগোষ্ঠীয় বর্ণনা তত্ত্ব কি সেয়া বুজি পাব
- নৃগোষ্ঠীয় বর্ণনা তত্ত্ব কিয় গুৰুত্বপূর্ণ সেয়া বুজি পাব
- নৃগোষ্ঠীয় বর্ণনা তত্ত্ব অধ্যয়নৰ আঁৰৰ উদ্দেশ্য কি সেয়া বুজি পাব
- নৃগোষ্ঠীয় বর্ণনা তত্ত্বভিত্তিক কাম-কাজৰ সুবিধাবোৰৰ বিষয়ে জানিব পাৰিব
- নৃগোষ্ঠীয় বর্ণনা তত্ত্বভিত্তিক কাম-কাজৰ সীমাবদ্ধতাবোৰৰ বিষয়ে জানিব পাৰিব।

১০.২ পৰিচয়

নৃগোষ্ঠীয় বর্ণনা তত্ত্ব হ'ল মানৰ বিজ্ঞান অধ্যয়নৰ সময়ত ব্যৱহাৰ কৰা গুণগত গৱেষণা পদ্ধতিবোৰৰ এটা। প্রথমে নৃতত্ত্ব বিজ্ঞান বিভাগৰ অধ্যয়নৰ সময়ত এই পদ্ধতিটো গ্রহণ কৰা হৈছিল। পাচলৈ ই সমাজতত্ত্ব, সংযোগ অধ্যয়ন আৰু ইতিহাস আদিৰ দৰে কলা শাখাৰ অন্য বিষয়বোৰৰ অধ্যয়নতো জনপ্রিয় হৈ পৰিল। নৃগোষ্ঠীয় বর্ণনা তত্ত্বক বর্তমান অধ্যয়নৰ এক পৃথক বিষয় বুলি ধৰা হয় যদিও এই অধ্যায়টিত ইয়াকে আলোচনা কৰা হ'ব।

গেৰ্হার্ড ফ্রেডৰিক মূলাৰে নৃগোষ্ঠীয় বর্ণনা তত্ত্বক অধ্যয়নৰ এক পৃথক বিষয় হিচাপে বিকশাই তুলিছিল। সেয়েহে তেওঁক 'নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ জনক' বুলি অভিহিত কৰা হয়। নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ বিকাশ ঘটাৰ লগে লগে নৃতত্ত্ববিদসকল সংস্কৃতিৰ অস্পষ্ট দিশবোৰ অধ্যয়নৰ প্রতি অধিক আগ্রহী হৈ পৰিল। সংস্কৃতিৰ দুটামান অস্পষ্ট দিশ হ'ল প্রমূল্য, বিশ্বজনীন দৃষ্টিভংগী আৰু ক্লিফ'র্ড গীর্টকো সংজ্ঞাবদ্ধ কৰা সংস্কৃতিৰ বৈশিষ্ট্যমূলক আচৰণ (ethos) ইত্যাদি। নিজৰ ক্ষেত্র অধ্যয়নৰ কালছোৱাত গীর্টকো পৰিঘটনমূলক দৃষ্টিভংগীৰ উপাদানবোৰ ব্যৱহাৰ কৰিছিল। তেওঁ মানুহৰ কাম-কাজ সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ লগতে সাংস্কৃতিক উপাদানবোৰো অধ্যয়ন কৰিছিল। উদাহৰণ স্বৰূপে, যদি মানুহৰ সমূহ এটাৰ ভিতৰত চকু টিপিওৱাটো এটা সংযোগ স্থানপকাৰী ইংগিত হয়, তেন্তে গীর্টৰে প্রথমে চকু টিপিওৱা কার্যটোৱে কি বুজায় সেয়া নির্ধাৰণৰ প্রয়াস কৰিছিল। চকু টিপিওৱা কার্যটোৰ বহুকেইটা অর্থ থাকিব পাৰে। তাৰ পাচত তেওঁ কি প্রসংগত চকু টিপিওৱা হয় সেয়া জনাৰ চেষ্টা কৰিছিল। লগতে তেওঁ ইয়াকো জনাৰ প্রয়াস কৰিছিল যে যেতিয়া কোনো এগৰাকী ব্যক্তিয়ে এটা অঞ্চলৰপৰা বাহিৰলৈ ওলাই যায় তেতিয়াও চকু টিপিওৱা কার্যটো একেদৰেই অর্থবহ হৈ ৰয়নে ইয়াৰ অর্থ সলনি হয়। এই প্রক্রিয়াৰ দ্বাৰা 'ভাষিক সীমা' অথবা 'বাসস্থানৰ ধাৰণা'টো প্রয়োগ নকৰাকৈ সংযোগৰ 'সাংস্কৃতিক সীমা'ৰ অন্বেষণ কৰিব পৰা যায়। নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গুৰুত্বপূর্ণ উপস্থিতি থকা অধ্যয়নৰ আন এটা প্রধান বিষয় হ'ল সমাজতত্ত্ব। নগৰীয় সমাজতত্ত্ব (Urban Sociology), ক্লার্ক আটলাণ্টা বিশ্ববিদ্যালয় আৰু চিকাগ' চিন্তাধাৰা (Chicago School) ই এই ক্ষেত্রখনলৈ উল্লেখনীয় অৱদান আগবঢ়াইছে। নৃগোষ্ঠীয় বর্ণনা তত্ত্বই প্রাধান্য বিস্তাৰ কৰা কেইটামান প্রাৰম্ভিক উদাহৰণ হ'ল ডব্লিউ ই বি ডু বু (W.E.B. Du Bais)ৰ 'দ্য ফিলাডেলফিয়া নিগ্রো' আৰু উইলিয়াম ফুট হোৱাইট (William Foote Whyte)ৰ 'ষ্ট্রীয় কর্ণাৰ চোছাইটি' ইত্যাদি।

'দ্য ফিলাডেলফিয়া নিগ্রো' (The Philadelphia Negro) হ'ল আফ্রিকান-আমেৰিকান সম্প্রদায় সম্পর্কে চলোৱা প্রথমটো ইতিবৃত্ত অধ্যয়ন। এই অধ্যয়নটোক পৰিসাংখিক তথ্যভিত্তিক সমাজ বিজ্ঞান হিচাপে সমাজ তত্ত্বৰ একেবাৰে প্রাৰম্ভিক কালছোৱাত কৰা অধ্যয়নবোৰৰ এটা বুলিও কোৱা হয়। ডু বুই (Du Bois) ১৮৯৬ চনৰ আগষ্ট মাহৰ পৰা ডিচেম্বৰ মাহলৈ প্রয়োজনীয় তথ্য সংগ্রহ কৰিছিল। তথ্য সংগ্রহৰ বাবে তেওঁ ঘৰে ঘৰে গৈছিল আৰু পৰিয়ালৰ মুৰব্বী সকলৰ সাক্ষাৎকাৰ লৈছিল। এই তথ্য লোকপিয়ল তথ্যৰ সৈতে লগ লগাই তেওঁ ফিলাডেলফিয়া অঞ্চলৰ আফ্রিকান-আমেৰিকানসকলৰ আর্থ-সামাজিক অৱস্থা বিশ্লেষণ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ জনক কোন?

.....

.....



জানি থওঁ আহক ঃ গেৰ্হার্ড ফ্রেডৰিক্ মূলাৰ,
জন্ম-২৯ অক্টোবৰ, ১৭০৫
মৃত্যু- ২২ অক্টোবৰ, ১৭৮৩
১৭২৫- চেইণ্ট পিটার্ছবার্গত ইম্পেৰিয়েল একাডেমী অব্ চায়েন্সৰ সহঃ প্রতিষ্ঠাৰ বাবে আমন্ত্রণ লাভ কৰে।
মূলাৰক 'নৃগোষ্ঠী বর্ণনা তত্ত্বৰ জনক' বুলি কোৱা হয়।

প্রশ্ন নং ২ ঃ অধ্যয়নৰ কোনটো বিষয়ে পোন প্রথমে গৱেষণাৰ বাবে নৃগোষ্ঠীয় বর্ণনামূলক পদ্ধতি গ্রহণ কৰিছিল?

.....

.....

১০.৩ নৃগোষ্ঠীয় বর্ণনা তত্ত্ব

নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ সমার্থক ইংৰাজী শব্দ 'Ethnography'ৰ মূল হ'ল দুটা গ্রীক শব্দ 'ethnos' আৰু 'grapho'— যাৰ অর্থ ক্রমে 'লোক, মানুহ অথবা জাতি' আৰু 'লিখ' অর্থাৎ, 'Ethnography' মানে হ'ল মানুহৰ বিষয়ে লিখা কার্য। এনে লেখনীত মানুহৰ, সংস্কৃতি আৰু জীৱন জগতৰ কথা সন্নিৱিষ্ট কৰা থাকে। জে ডব্লিউ ক্রেছৱেলে তেওঁৰ গ্রন্থ 'Qualitative Inquiring and Research Design. Choosing Among Five Approaches'ত নৃগোষ্ঠীয় বর্ণনা তত্ত্বটোক 'এক সংস্কৃতিক অথবা এটা সামাজিক সমূহ অথবা এটা ব্যৱস্থাৰ বর্ণনা অথবা ব্যাখ্যা' বুলি কৈছে। সংজ্ঞাটো বহলাই ব্যাখ্যা কৰি তেওঁ কৈছিল যে নৃগোষ্ঠীয় বর্ণনামূলক অধ্যয়নে সাধাৰণ পৰিৱেশত আন্তঃক্রিয়া সম্পন্ন কৰা মানুহক নিৰীক্ষণ কৰে আৰু তাৰ মাজৰ পৰা জীৱন-চক্র, ঘটনা আৰু সংস্কৃতিক বিষয়বস্তু হিচাপে বিস্তৃত বিন্যাসবোৰ বাছি উলিয়ায়।

বিষয়টোৰ গৱেষকক এথন'গ্রাফাৰ বোলা হয়। এথন'গ্রাফাৰ এগৰাকীয়ে অধ্যয়নৰ বাবে বাছি লোৱা মানুহখিনিৰ মাজত থাকি কাম কৰে। এথন'গ্রাফাৰে অধ্যয়নৰ বাবে বাছি লোৱা 'বিষয় জনসমষ্টি' (subject population)ৰ জীৱন-জগতখনত বাস কৰাৰ চেষ্টা কৰে। সেয়েহে ইয়াক 'অংশগ্রহণকাৰী নিৰীক্ষণ' (participant observation) বোলা হয়। চুটি সাক্ষাৎকাৰ আদিৰ দৰে অন্য নিৰীক্ষণকালত গৱেষকগৰাকী অধ্যয়নৰ বাবে বাছি লোৱা জনসমষ্টিটোত নাথাকিলেও হয়। কিন্তু নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গৱেষণাৰ বাবে ই এক বাধ্যতামূলক চর্ত। এনে গৱেষণাৰ 'সুচলতা বিন্দু' (vantage point)টো হ'ল অধ্যয়নৰ বাবে লোৱা সমূহটোৰ সুচলতা বিন্দু। ইয়াত গৱেষকৰ ব্যক্তিগত দৃষ্টিভংগী প্রযোজ্য নহয়। 'সুচলতা বিন্দু' মানে হ'ল সেইটো অৱস্থান অথবা বিন্দু য'ৰ পৰা চৌপাশৰ অধ্যয়ন আৰম্ভ কৰিব পাৰি। সেই নির্দিষ্ট অৱস্থান অথবা বিন্দুটোৰ আধাৰতেই মূল্যায়ন প্রক্রিয়াটো আৰম্ভ হয়। ইয়াৰ উপৰি নৃগোষ্ঠীয় বর্ণনাৰ গৱেষণা পদ্ধতি অন্য গৱেষণা পদ্ধতিৰ তুলনাত আপেক্ষিকভাৱে দীঘলীয়া। গৱেষকসকলে নিজ নিজ অধ্যয়ন ক্ষেত্র আৰু অধ্যয়নৰ বাবে লোৱা জনসমষ্টিৰ দৈনন্দিন জীৱনৰ বিভিন্ন পৰিঘটনাৰ অর্থ আৰু প্রমূল্য বুজাৰ চেষ্টা কৰে। সামাজিক প্রমূল্য, অর্থ আদি জোখ-মাখ ল'ব পৰা অথবা সংখ্যাৰে বুজাব পৰা কথা নহয়। এইবোৰৰ সৰলীকৰণ কৰাটোও সহজ হয়। সেয়েহে গৱেষকে অধ্যয়নৰ বাবে লোৱা জনসমষ্টিৰ মাজত থাকি তেওঁলোকৰ কাম-কাজৰ শুদ্ধ অর্থ তথা প্রমূল্য বুজাৰ চেষ্টা কৰে। মানুহে বিভিন্ন বস্তুত আৰোপ কৰা প্রমূল্য আৰু অর্থ উপৰুৱা ব্যাখ্যাৰে বুজাব নোৱাৰি। কিছুমান কথাৰ প্রমূল্য বুজাবলৈ মানুহে বিভিন্ন প্রতীক ব্যৱহাৰ কৰে আৰু এই প্রতীকবোৰৰ অন্তর্নিহিত অর্থ থাকে। সেয়েহে নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধীনৰ গৱেষণাত

অধ্যয়নৰ বাবে লোৱা সমূহটোক প্রত্যাবৃত নিৰীক্ষণ (reflexive observation) পদ্ধতিৰে পর্যবেক্ষণ কৰা হয়। এনে গৱেষণাত সমাজ এখনৰ অর্থ আৰু প্রমূল্য বর্ণনাৰ চেষ্টা কৰা যায় আৰু এনে গৱেষণা আগবঢ়াই নিওতে এক সর্বাত্মক দৃষ্টিভংগী গ্রহণ কৰা হয়। সর্বাত্মক অধ্যয়নৰ সময়ত জনসমষ্টিটোৰ চমু ইতিহাস, প্রচলিত অনুশীলন আৰু প্রতীক, বিভিন্ন জনসংখ্যা গাঁথনিমূলক দিশ আদিৰ দৰে বিভিন্ন বিষয়ৰ আলোচনাক সামৰি লোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক—

(ক) নৃগোষ্ঠীয় বর্ণনা তত্ত্বক.....বুলিও কোৱা হয়।

.....

.....

(খ) নৃগোষ্ঠীয়ৰ বর্ণনাত অধ্যয়নৰ বাবে লোৱা জনসমষ্টিটোৰ এটা.....নিৰীক্ষণ কৰা হয়।

.....

.....

১০.৪ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়ন

নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়ন সম্পর্কে স্পষ্টভাৱে বুজিবলৈ আমি ইয়াৰ কেইটামান বৈশিষ্ট্য আলোচনা কৰিব লাগিব। বৈশিষ্ট্যসমূহ এনেধৰণৰ।

- **সামাজি পৰিঘটনা অন্বেষণ ঃ** নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়ন কালত সাধাৰণতে পূর্ব-বিবেচিত অপ্রমাণিত যুক্তিসংগত ধাৰণা কিছুমান পৰীক্ষা কৰি চোৱাতকৈ সামাজিক পৰিঘটনা অন্বেষণ কার্য সম্পাদন কৰাৰ চেষ্টা চলোৱা হয়।
- **আন্তঃক্রিয়াৰ প্রধান ভূমিকা ঃ** যিহেতু নৃগোষ্ঠীয় বর্ণনা তত্ত্বই মূলতঃ ব্যাখ্য আগবঢ়োৱা কার্যৰ সৈতে জড়িত সেয়েহে ডেটা অথবা তথ্য বিশ্লেষণৰ দৰে অন্য অধ্যয়ন পদ্ধতিবোৰতকৈ আন্তঃক্রিয়া আৰু মৌখিক অভিব্যক্তি প্রকাশে ইয়াত প্রধান ভূমিকা পালন কৰে।
- **বিস্তৃত ক্ষেত্রভিত্তিক কার্য ঃ** নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নত বিস্তৃত ক্ষেত্রভিত্তিক কার্য সম্পাদন কৰিব লাগে। সাক্ষাৎকাৰ, নিৰীক্ষণ, প্রতীক, হস্তকলাৰ নিদর্শন আদিৰ জৰিয়তে তথ্য অথবা ডেটা সংগ্রহ কৰা হয়।
- **তথ্যৰ ডেটাৰ প্রতিবেদন দাখিল প্রণালীবিদ্যাভিত্তিক কৰাত গুৰুত্ব আৰোপ ঃ** এথ্ন'গ্রাফাৰ সকলে অধ্যয়ন ক্ষেত্রৰ পৰা সংগ্রহ কৰা তথ্য-প্রমাণবোৰৰ প্রতিবেদন কেনেকৈ দাখিল কৰিব সেইটো প্রশ্নৰ ওপৰত মনোনিৱেশ কৰে। এই অধ্যয়নত তথ্য তথ্য সংগ্রহ অথবা ব্যাখ্যাৰ দৰে পৰিসংখ্যাভিত্তিক পদ্ধতিতকৈ প্রণালীবিদ্যাভিত্তিক পদ্ধতিত অধিক গুৰুত্ব দিয়া হয়।

জীৱন জগতখনৰ তথ্য সংগ্রহৰ খতিয়ান ৰখাটো এক জটিল কার্য। এবাৰ খতিয়ানৰদ্ধ কৰাৰ পাচত বিপুলসংখ্যক ডেটা সংগ্রহক ভালদৰে সজাই লোৱাটো দুৰূহ কাম। এগৰাকী

এথন'গ্রাফাৰে সেয়েহে এই খতিয়ানৰদ্ধ তথ্যবোৰ অতি সাৱধানে ৰাখিব লাগে। তেওঁ ক্ষেত্রভিত্তিক কার্যৰ দিনপঞ্জী লিখি যাব লাগে। ইয়াত প্রতিদিনেই অধ্যয়ন কার্যৰ জৰিয়তে সংগ্রহ কৰা তথ্যৰ টোকা লিখিব লাগে। তেতিয়াহে পাচত তথ্যবোৰ সজোৱাৰ কামটো উজু হ'ব। অর্থাৎ, ক্ষেত্রভিত্তিক অধ্যয়ন চলি থাকোতেই ইয়াৰ পৰৱর্তী পর্যায়ৰ কাম-কাজবোৰ অতি সাৱধানে নিয়াৰিকৈ সজাই যোৱাটো এথ্ন'গ্রাফাৰসকলে কৰিবলগীয়া এটা গুৰুত্বপূর্ণ কাম।

১০.৪.১ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নৰ সাধাৰণ গাঁথনি ঃ

জে ডব্লিউ ক্রেছৱেলে তলৰ কথাকেইটাক নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নৰ সাধাৰণ গাঁথনিটো নির্মাণকাৰী প্রধান উপাদান হিচাপে চিনাক্ত কৰিছিল।

- পৰিচয় ঃ সমস্যা আৰু প্রশ্ন।
- গৱেষণা প্রক্রিয়া ঃ নৃগোষ্ঠীয়ৰ বর্ণনা, ডেটা সংগ্রহ, বিশ্লেষণ, ফলাফল।
- সংস্কৃতি বর্ণনা।
- সাংস্কৃতিক বিষয়বস্তুৰ বিশ্লেষণ।
- ব্যাখ্যা, লাভ কৰা শিক্ষা, উত্থাপিত প্রশ্ন।

১০.৪.২ অধ্যয়নৰ এক পদ্ধতি হিচাপে নৃগোষ্ঠীয় বর্ণনা তত্ত্ব

সমাজ বিজ্ঞানত গৱেষণা চলাবলৈ প্রয়োগ কৰা অন্য পদ্ধতিবোৰতকৈ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গৱেষণা পদ্ধতি ভালেখিনি পৃথক। নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গৱেষণা পদ্ধতি পর্যবেক্ষণ কৰি পোৱা গুৰুত্বপূর্ণ কথা কেইটামান তলত উল্লেখ কৰা হ'ল—

- **ক্ষেত্রভিত্তিক অধ্যয়ন পদ্ধতি ঃ** আগতেই উল্লেখ কৰা হৈছে যে নৃগোষ্ঠীয় বর্ণনা গৱেষণা পদ্ধতি সম্পূর্ণৰূপে ক্ষেত্রভিত্তিক।
- **ব্যক্তিগতকৃত পদ্ধতি ঃ** গৱেষকসকলে অধ্যয়নৰ বাবে বাছি লোৱা জনসমষ্টিৰ দৈনন্দিন জীৱন পর্যবেক্ষণ কৰি আৰু মানুহৰ মুখামুখি হৈ তথ্য সংগ্রহ কৰি নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়ন সম্পন্ন কৰে। গৱেষকসকলে এনে অধ্যয়নত অংশগ্রহণকাৰী আৰু নিৰীক্ষক দুয়োটা ভূমিকাই পালন কৰে।
- **আৰোহী পদ্ধতি ঃ** এনে গৱেষণাত বর্ণনামূলক তথ্য সংগ্রহ কৰা হয় আৰু এনে তথ্যৰ জৰিয়তে কিছুমান সাধাৰণ নিৰীক্ষণমূলক সিদ্ধান্তত উপনীত হোৱা যায়। নৃগোষ্ঠীয় অধ্যয়ন তত্ত্বই অৱৰোহী গৱেষণা পদ্ধতি এৰাই চলে কিয়নো এনে পদ্ধতিয়ে প্রচলিত তত্ত্ব অথবা আর্হিৰ পৰা লোৱা অপ্রমাণিত যুক্তিসংগত ধাৰণা (hypothesis)হে পৰীক্ষা কৰি চায়।
- **সর্বাত্মক পদ্ধতি ঃ** নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নত এক সর্বাত্মক পদ্ধতি গ্রহণ কৰা হয়। এনে গৱেষণাত অধ্যয়নৰ বাবে বাছি লোৱা গোট অথবা অঞ্চলৰ সর্বাত্মক বর্ণনা লিখা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ নৃগোষ্ঠীয় বর্ণনাতত্ত্ব অধ্যয়নৰ বৈশিষ্ট্যসমূহ কি কি?

.....

.....

.....

প্রশ্ন নং ৫ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গৱেষণাত.....ক্ষেত্রভিত্তিক কার্য কৰা হয়।

.....

.....

(খ) নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নত সাধাৰণতে.....ৰ অন্বেষণৰ কার্য সম্পাদন কৰা হয়।

.....

.....

(গ) নৃগোষ্ঠীয় বর্ণনা তত্ত্বই.....গৱেষণা পদ্ধতি এৰাই চলে।

.....

.....

প্রশ্ন নং ৬ ঃ নৃগোষ্ঠীয় বর্ণনা তত্ত্বক ব্যক্তিগতকৃত পদ্ধতি বুলি কিয় কোৱা হয়?

.....

.....

.....

১০.৫ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গুৰুত্ব

বেছিভাগ সময়তেই এয়া দেখা যায় যে যদি অংশগ্রহণকাৰীয়ে কোনো এক নির্দিষ্ট মানৱ সমষ্টিৰ জীৱন-জগতখনত নিজে বাস নকৰে, তেন্তে সেই জগতখনৰ কথা ভালদৰে বুজা নাযায়। আৰু ভালদৰে নুবুজিলে এনে সমূহ অথবা দলবোৰৰ বিষয়ে আধিপত্যসূচক ব্যাখ্যা বাহিৰ হোৱাৰ সম্ভাৱনা থাকে। শুদ্ধ অর্থতকৈ গৱেষকৰ ব্যক্তিগত ব্যাখ্যাই এই ক্ষেত্রত আধিপত্য বিস্তাৰ কৰিব পাৰে। কিন্তু অধ্যয়নৰ বাবে লোৱা মানৱ সমূহ এটাই মানি চলা অনুশীলনবোৰৰ সঠিক অর্থ উদ্ধাৰ কৰাত গৱেষকৰ বিস্তৃত অধ্যয়ন আৰু অংশগ্রহণকাৰী নিৰীক্ষণ প্রকৃতিয়ে সহায় কৰে। সেয়েহে কোনো এক নির্দিষ্ট সমূহৰ প্রমূল্য আৰু অর্থ আদিৰ ব্যাখ্যা আগবঢ়াবলৈ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়ন হ'ল অধিক উপযোগী পদ্ধতি।

সূক্ষ্ম বিশ্লেষণৰ ৰূপতো নৃগোষ্ঠীয় বর্ণনা তত্ত্ব অধ্যয়ন গুৰুত্বপূর্ণ। কেতিয়াবা কোনো এক মানৱ সমূহত প্রকৃততে কি ঘটি আছে সেয়া সাধাৰণ অথবা সমষ্টিবাদী বিশ্লেষণেৰে ব্যাখ্যা কৰিব পৰা নাযায়। কেতিয়া এনে বিশ্লেষণে ভুল ব্যাখ্যাৰে পাঠকক বিভ্রান্ত কৰে। সেয়েহে, বৈচিত্র্যতা,

বিভিন্নতা আৰু সমষ্টিবাদী অধ্যয়নেৰে ব্যাখ্যা কৰিব নোৱাৰা প্ৰভেদবোৰ নিৰীক্ষণ কৰিবলৈ নৃগোষ্ঠীয় বর্ণনা তত্ত্ব অধ্যয়ন কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰে।

ইয়াৰ উপৰি, নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নে সাংস্কৃতিক সাম্ৰাজ্যবাদৰ পৰা হোৱা ক্ষতি এৰাই চলিব পাৰে। সাংস্কৃতিক সাম্ৰাজ্যবাদ মানে হ'ল এনে এটা প্ৰক্ৰিয়া যিটোৰ জৰিয়তে এটা প্ৰভাৱশালী সংস্কৃয়ে ক্ষুদ্ৰ সাংস্কৃতিক সমূহবোৰৰ ওপৰত ক্ষমতা প্ৰয়োগ কৰে। ক্ষুদ্ৰ সাংস্কৃতিক সমূহৰ মাজত থকা উপস্থাপন আৰু প্ৰতিনিধি কণ্ঠৰ অভাৱৰ ফলতে এনে ঘটে। এই পটভূমিত নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নে ঘটে। এই পটভূমিত নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নে আজিলৈকে কোনেও নাম পৰ্যন্ত নুশুনা সমূহবোৰৰ কণ্ঠ হিচাপে কাম কৰে। ক্ষুদ্ৰ সাংস্কৃতিক সমূহবোৰৰ নানা টোকা লিখি, তেনে সমূহৰ নিজস্ব জগতখনৰ খতিয়ান ৰাখি নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নে গৱেষণাৰ বাবে বাছি লোৱা সমূহবোৰৰ কণ্ঠ সবল কৰাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে।

এইবোৰৰ লগতে নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নে নীতি গঠনতো সহায় কৰে। যিকোনো ৰাজহুৱা নীতি গঠন কৰাৰ সময়ত নীতি প্ৰস্তুতকাৰীসকলৰ যিটো সামাজিক সমূহৰ বাবে নীতি গঠন কৰা হ'ব সেই সমূহটোৰ বিষয়ে পৰ্যাপ্ত জ্ঞান থকাটো উচিত। নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নে সেই জ্ঞানৰ যোগান ধৰে। ধৰা হ'ল, এটা সাংস্কৃতিক সমূহৰ বাবে প্ৰতিষেধক টিকা প্ৰদানৰ নীতি গঠন কৰিব খোজা হৈছে। কিন্তু সেই সাংস্কৃতিক সমূহটোৱে আধুনিক চিকিৎসা পদ্ধতিতকৈ পৰম্পৰাগত নিৰাময় অনুশীলনবোৰক অধিক বিশ্বাস কৰে। এনে পৰিস্থিতিত ওপৰত ভবাৰ দৰে চিকিৎসা নীতি এটা প্ৰণয়ন কৰিলে কোনো সুফল পোৱা নাযাব। পৰম্পৰাগত নিৰাময় অনুশীলনক বিশ্বাস কৰাৰ কাৰণ, এনে নিৰাময় ব্যৱস্থাৰ ফলপ্ৰসূতা, আধুনিক চিকিৎসাৰ প্ৰতি সন্দেহ ওপজাৰ কাৰণ আদি সঠিককৈ বুজিব পাৰিলেহে উপযোগী নীতি এটা গটন কৰিব পৰা যাব। অধ্যয়নৰ বাবে বাছি লোৱা সামাজিক সমূহটোৰ ৰোগ নিৰাময় কৌশল সম্পৰ্কে নৃগোষ্ঠী বর্ণনা তত্ত্বৰ ভিত্তিত আগবঢ়োৱা ব্যাখ্যাবোৰেহে নীতি প্ৰস্তুতকাৰীসকলক সমূহৰ অগ্ৰাধিকাৰবোৰৰ প্ৰতি অধিক সংবেদনশীল কৰি তুলিব। তেতিয়াহে সামাজিক সমূহটোৱে মানি চলা পৰম্পৰাগত চিকিৎসা অনুশীলনবোৰৰ সৈতে খাব খোৱাকৈ নীতি প্ৰস্তুতকাৰীসকলে প্ৰয়োজন অনুসৰি বিজ্ঞানসন্মত ফলপ্ৰসূতা থকা বিকল্প নীতি কিছুমান প্ৰস্তুত কৰিব পাৰিব।

১০.৬ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ লক্ষ্য

নৃগোষ্ঠীয়ৰ বর্ণনা তত্ত্বৰ প্ৰধান লক্ষ্য হ'ল কোনো এক সামাজিক ক্ৰমৰ বাহিৰত থাকি কৰা ব্যাখ্যা আৰু গৱেষণা অধীন জনসমষ্টি এটাই আহৰণ কৰা জীৱন অভিজ্ঞতাৰ প্ৰকৃত অর্থৰ মাজত থকা ব্যৱধান কম কৰা। ইয়াৰ উপৰি এনে প্ৰকৃত অর্থবোৰক নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ, গৱেষণাৰ জৰিয়তে একোটা 'কণ্ঠ' প্ৰদানৰ চেষ্টা কৰা হয়। এনে গৱেষণাক সেয়েহে অশ্ৰুতসকলৰ কণ্ঠ (voice of the unheard) বোলা হয়। ইয়াৰ লগতে এনে গৱেষণাই বিষয়বস্তু অথবা দৃষ্টিভংগীৰ জৰিয়তে সংস্কৃতি গঢ়োতা সমূহবোৰৰ বর্ণনা আগবঢ়ায়। এইবোৰৰ উপৰি এনে গৱেষণাই সংস্কৃতি গঢ়োতা সমূহৰ সামাজিক আন্তঃক্ৰিয়াৰ লগতে মানৱ জীৱনৰ

সাধাৰণকৃত ধাৰণাবোৰৰ ব্যাখ্যা আগবঢ়ায়।

১০.৭ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ সুবিধাসমূহ

নৃগোষ্ঠীয় বর্ণনা তত্ত্ব অধ্যয়নৰ বহুকেইটা সুবিধা আছে। প্ৰথম সুবিধাটো হ'ল নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়নে আধিপত্যসূচক ব্যাখ্যাৰ সম্ভাৱনা এৰাই চলে। গৱেষকসকলে এনে গৱেষণাত অংশগ্ৰহণকাৰী আৰু নিৰীক্ষণ দুয়োটা ভূমিকা পালন কৰে। তেওঁলোক সেয়েহে তথ্যৰ প্ৰকৃত অর্থ সম্পর্কে সংবেদনশীল হৈ থাকে। ইয়াৰ উপৰি গৱেষকসকলে অধ্যয়নৰ বাবে লোৱা মানৱ সমূহটোৰ সম্পর্কে কোনো ধৰণৰ ৰায় দিয়াৰ পৰা সদায় আঁতৰত থকাৰ চেষ্টা কৰে। গৱেষণাকালত গৱেষকে প্ৰত্যাবৃত নিৰীক্ষণমূলক মনোভাৱ গ্ৰহণ কৰে। দ্বিতীয়তে এনে গৱেষণাই অধ্যয়নৰ বাবে বাছি লোৱা মানৱ সমূহটোৰ সূক্ষ্ম বৈশিষ্ট্যবোৰো সংগত ৰূপত বিচাৰি উলিয়ায়। সমাজ এখনক দূৰৱপৰা অধ্যয়ন কৰি এনে বৈশিষ্ট্যবোৰ কেতিয়াও বাহিৰ কৰিব পৰা নাযায়। তৃতীয়তে, মানৱ সমাজ অধ্যয়নৰ বাবে থকা নৃতত্ত্ববিজ্ঞান আৰু সমাজতত্ত্বৰ দৰে বিষয়বোৰতকৈ বিভিন্ন সামাজিক সম্পর্কৰ গাঁথনি পৰীক্ষা কৰি চোৱাৰ সবাতোকৈ উপযুক্ত আৰ্হিটো হ'ল নৃগোষ্ঠীয় বর্ণনা তত্ত্ব। ই গৱেষকক সামাজিক আন্তঃক্ৰিয়া, সম্পর্ক আদিৰ গাঁথনিবোৰ পৰীক্ষা কৰি চাব পৰাকৈ প্ৰয়োজনীয় অহিলাৰ যোগান ধৰে। চতুর্থৰে, দলীয় গৱেষণাৰ মাধ্যমেৰে ই কিছুদিন অভিজ্ঞতাৰ দুৱাৰ মুকলি কৰে। আন্তঃক্ৰিয়া আৰু অংশগ্ৰহণৰ সুযোগ নথকা অন্য গৱেষণা পদ্ধতিত এয়া সম্ভৱ নহয়। পঞ্চম সুবিধাটো হ'ল নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যায়নৰ জৰিয়তে বহুদিন ধৰি প্ৰচলিত হৈ থকা ধাৰণা কিছুমানৰ পুনৰ বিবেচনা কৰি চাব আৰু সেইবোৰক প্ৰত্যাহ্বান জনাব পৰা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ দুটা সুবিধা উল্লেখ কৰক।

.....

.....

.....

১০.৮ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ সীমাবদ্ধতাসমূহ

নৃগোষ্ঠীয় বর্ণনা তত্ত্ব অধ্যয়নৰ কিছুমান অসুবিধাও আছে। নৃগোষ্ঠীয় বর্ণনা তত্ত্ব গৱেষণাত মানি চলা বর্ণনামূলক পন্থাই কিছু সন্দেহৰ উদ্ৰেক কৰে। কাৰণ ইয়াৰ তথ্য সাধাৰণীকৃত কৰাৰ সুবিধা নাই। এনে গৱেষণা কাহিনী-কথন আৰু বিশেষ ঘটনাৰ উপস্থাপনৰ দৰে বর্ণনামূলক পদ্ধতিবোৰৰ ওপৰত যথেষ্ট নির্ভৰশীল। কথাটো অনিবার্যভাৱেই বিষয়নিষ্ঠ। সেয়েহে অপ্ৰমাণিত যুক্তিসংগত ধাৰণা পৰীক্ষা, পৰিমাণকৃত কৰণ, পুনৰ পৰীক্ষণ আদিৰ দৰে বিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগ কৰি গৱেষণা চলোৱাসকলে নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গৱেষণা পদ্ধতিটো দুর্বল বুলি গণ্য কৰে। তলত নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ কেইটামান অন্য দুর্বলতা আৰু

প্রত্যাহ্বান সম্পর্কে আলোচনা কৰা হ'ল।

প্রথম অসুবিধাটো হ'ল নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়ন কৰাৰ বাবে গৱেষকৰ গভীৰ ব্যুৎপত্তিৰ প্রয়োজন। এথন'গ্রাফাৰসকলে নিজ আগ্রহৰ ক্ষেত্র আৰু গৱেষণা পদ্ধতি সম্পর্কে প্রয়োজনীয় জ্ঞান আহৰণ কৰিবই লাগিব। ইয়াৰ বাবে যথেষ্ট সময় আৰু প্রশিক্ষণৰ আৱশ্যক। দ্বিতীয় অসুবিধাটো হ'ল গৱেষকে অধ্যয়নৰ বাবে লোৱা মানৱ সমূহটোৰ বিষয়নিষ্ঠ মূল্যায়ন কৰে আৰু গৱেষণাৰ পৰা এই মূল্যায়ন সম্পূর্ণৰূপে বাদ দিয়া নহয়। অর্থাৎ, অধ্যয়ন এটাৰ ব্যাখ্যা আগবঢ়াবলৈ গৱেষকৰ হাতত বহুতো সুবিধা থাকে। গৱেষকে এই সুবিধাৰ অপব্যৱহাৰ কৰিব পাৰে। তৃতীয়তে, নৃগোষ্ঠীয় বর্ণনা তত্ত্ব গৱেষণাৰ প্রধান প্রত্যাহ্বান এটা হ'ল সমলৰ সুচলাৱস্থা। অধ্যয়ন ক্ষেত্রত প্রৱেশৰ সুবিধা-অনুমতি বিচৰা আৰু অধ্যয়নৰ বাবে লোৱা সমূহত অংশগ্রহণৰ সুযোগ লাভ কৰাটো হ'ল সময় খৰছী আৰু সমস্যাবহুল কাম। এথন'গ্রাফাৰৰ বাবে সমলৰ প্রয়োগ সুচল কৰাৰ প্রয়োজনীয় চর্ত হ'ল অধ্যয়নৰ বাবে বাছি লোৱা জনসমষ্টিটোৰ বিশ্বাস জয় কৰা। চতুর্থতে এনে গৱেষণাৰ আন এক প্রত্যক্ষ সীমাবদ্ধতা হ'ল অধ্যয়নৰ বাবে লোৱা মানৱ সমূহটোৰ সৈতে জড়িত পক্ষপাতিত্বমূলক অন্ধবিশ্বাসম্পূর্ণ ধাৰণাবোৰ গাঢ়তৰ হৈ পৰাটো নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধ্যয়ন ঔপনিৱেগিক শাসন কালত আৰম্ভ হৈছিল। উপনিৱেশৰ পৰিচালকসকলক প্রায়েই এনেধৰণৰ পক্ষপাতিত্বমূলক/অন্ধবিশ্বাসপূর্ণ ধাৰণাবোৰ গাঢ়তৰ কৰি তোলাৰ দোষত জগৰীয়া কৰা হৈছিল। তেওঁলোকৰ ওপৰত ঔপনিৱেশিকতাবাদী উচ্চাত্মিকাবোধেৰে শাসন চলোৱাৰ অভিযোগো উত্থাপিত হৈছিল। পঞ্চমতে, সংযোগ নিৰীক্ষণৰ অধীনত এই কথা গম পোৱা গৈছিল যে অধ্যয়ন ক্ষেত্রত সংযোগৰ সকলো দিশতে বহুতো ন্যায়নিষ্ঠতাৰ সৈতে জড়িত সমস্যা প্রোথিত হৈ থাকে। ডি. এম. ফেটাৰমেনে তেওঁৰ গ্রন্থ 'Ethnography : Step by Step'ত এনে ন্যায়নিষ্ঠতাৰ সৈতে জড়িত সমস্যাবোৰ এৰাই চলাৰ কেইটামান দিক নির্দেশনা আগবঢ়াইছে। দিক্-নির্দেশনাবোৰ হ'ল— অধ্যয়নৰ বাবে লোৱা মানৱ সমূহটোৰ সদস্য অথবা সামগ্রিকভাৱে গোটেই সম্প্রদায়টোৰেই কোনো অপকাৰ নকৰা, মানুহৰ অধিকাৰক সন্মান জনোৱা, ভোটৰ সংহতি অক্ষুণ্ণ ৰখা আৰু মানুহৰ জীৱন যাপন পদ্ধতিক সন্মান জনোৱা আদি। ষষ্ঠতে এথন'গ্রাফাৰৰ বাবে আন এক গুৰুতৰ প্রত্যাহ্বান হ'ল অধ্যয়নৰ বাবে বাছি লোৱা মানৱ সমূহটোৰ পৰিচয় গোপনে ৰখা। সর্বশেষত দেখা দিব পৰা সবাতোকৈ গুৰুত্বপূর্ণ অসুবিধাটো হ'ল নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গৱেষণা প্রকাশ হোৱাৰ পাচত মানৱ সমূহ একোটাৰ সন্মুখত দেখা দিবপৰা মন্তব্য বিপদ আশংকা। আমি ইতিমধ্যে দ্বিতীয় অধ্যায় (২.৫ গৱেষণা নীতি শিতান)ত পৰিচয় গোপনে ৰখাৰ প্রয়োজনীয়তা আৰু সম্ভাব্য ক্ষতি এৰাই চলাৰ নীতি সম্পর্কে আলোচনা কৰিছো। এই গৱেষণাত থকা সীমাবদ্ধতাবোৰ আঁতৰ কৰিবলৈ আমি সেই নীতিবোৰ মানি চলিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ প্রকৃত অর্থ বাহিৰ কৰাৰ সলনি পক্ষপাতিত্ব/অন্ধবিশ্বাসমূলক ধাৰণা গঢ়া কৰা নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গৱেষণা এটাৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....



১০.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- নৃগোষ্ঠীয় বর্ণনা তত্ত্ব হ'ল মানৱ বিজ্ঞান অধ্যয়নৰ সময়ত ব্যৱহাৰ কৰা গুণগত গৱেষণা পদ্ধতিবোৰৰ এটা।
- গের্হার্ড ফ্রেডৰিক মূলাৰে নৃগোষ্ঠীয় বর্ণনা তত্ত্বক অধ্যয়নৰ এক পৃথক বিষয় হিচাপে বিকশাই তুলিছিল।
- মূলাৰক নৃগোষ্ঠীয়ৰ বর্ণনা তত্ত্বৰ জনক বুলি কোৱা হয়।
- নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ সমার্থক ইংৰাজী শব্দ 'Ethnography'ৰ মূল হ'ল দুটা গ্রীক শব্দ 'ethnos' আৰু 'grapho' যাৰ অর্থ ক্রমে 'লোক, মানুহ অথবা জাতি' আৰু 'লিখ'।
- জে. ডব্লিউ ক্রেছৱেলে নৃগোষ্ঠীয় বর্ণনা তত্ত্বটোক 'এক সংস্কৃতি অথবা এটা সামাজিক সমূহ অথবা এটা ব্যৱস্থাৰ বর্ণনা অথবা ব্যাখ্যা' বুলি কৈছে।
- নৃগোষ্ঠীয় বর্ণনা তত্ত্বটোক অংশগ্রহণকাৰী নিৰীক্ষণ' পদ্ধতি বোলা হয়।
- গৱেষণাৰ 'সুচলতা বিন্দু'টো গৱেষকৰ ব্যক্তিগত দৃষ্টিভংগী নহয়, ই অধ্যয়নৰ বাবে লোৱা সমূহটোৰহে সুচলতা বিন্দু।
- নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ বৈশিষ্ট্যসমূহ হ'ল— সামাজিক পৰিঘটনা অন্বেষণ, আন্তঃক্রিয়াৰ প্রধান ভূমিকা, বিস্তৃত ক্ষেত্রভিত্তিক কার্য, তথ্যৰ প্রতিবেদন দাখিলৰ গুৰুত্ব ইত্যাদি।
- এটা গৱেষণা পদ্ধতি হিচাপে নৃগোষ্ঠীয় বর্ণনা তত্ত্ব হ'ল— ক্ষেত্রভিত্তিক, ব্যক্তিগতকৃত, আৰোহী আৰু সর্বাত্মক পদ্ধতি।
- অধ্যয়নৰ বাবে লোৱা মানৱ সমূহ এটাৰ জীৱন জগতখন শুদ্ধভাৱে বুজিবলৈ, সমূহটোৰ সূক্ষ্ম বৈশিষ্ট্যবোৰ বর্ণনা কৰিবলৈ সাংস্কৃতিক সাম্রাজ্যবাদী মনোভাৱ এৰাই চলিবলৈ, ফলপ্রসূ ৰাজহুৱা নীতি গ্রহণ কৰিবলৈ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ অধীনত গৱেষণা চলোৱা হয়।
- নৃগোষ্ঠীয়ৰ বর্ণনা তত্ত্বৰ অধ্যয়নৰ কেন্দ্রীয় লক্ষ্য হ'ল কোনো এক সামাজিক ক্রমৰ বাহিৰত থাকি কৰা ব্যাখ্যা আৰু গৱেষণা অধীন জনসমষ্টি এটাই আহৰণ কৰা জীৱন অভিজ্ঞতাৰ প্রকৃত অর্থৰ মাজত থকা ব্যৱধান কম কৰা।
- নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ সুবিধাবোৰৰ ভিতৰত দুটামান উল্লেখযোগ্য সুবিধা হ'ল সূক্ষ্ম বৈশিষ্ট্য বাহিৰ কৰা সাংস্কৃতিক সাম্রাজ্যবাদ এৰাই চলা ইত্যাদি।